৩ নং প্ৰশ্নৰ উত্তৰ ঃ (১) Robert Caldwell-ৰ *A Comparative Grammar of the Dravidian Language* (1913) আৰু

(২) John Beams-ৰ *A Comparative Grammar of Modern Aryan Language of India*

৪ নং প্ৰশ্নৰ উত্তৰ ঃ পাৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজ ভাষা-বিজ্ঞানত।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ সাঙুৰি ল'ব পৰা যায়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষা, অনুৰক্তি, উপলব্ধি আৰু ব্যক্তিভেদে থকা দক্ষতাৰ ভেদ ইত্যাদি।



৮.৯ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) ভাষা-বিজ্ঞানৰ প্ৰধান শাখাসমূহ কি কি?

খ) বৰ্ণনাত্মক ভাষা-বিজ্ঞান বুলিলে কি বুজে?

গ) উপভাষা অধ্যয়নত সমাজ ভাষা-বিজ্ঞানৰ প্ৰয়োজনীয়তা আছেনে?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) ধ্বনিতত্ত্বত ভাষাটোৰ বিশিষ্ট ধ্বনি আৰু সিহঁতৰ উপধ্বনিসমূহৰ বৰ্ণনা কৰা হয়।

খ) ভূ-ভাষা-বিজ্ঞান ভাষা-বিজ্ঞানৰ এটি নতুন শাখা আৰু ইয়াত ভাষাৰ ভাষাগত দিশবোৰৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ঐতিহাসিক ভাষা-বিজ্ঞানত ভাষা অধ্যয়নৰ কোনবোৰ দিশত গুৰুত্ব আৰোপ কৰা হয় উদাহৰণসহ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ ভাষাৰ অৰ্থ পৰিৱৰ্তনৰ ত্ৰিধাৰা বুলিলে কি বুজে? আপোনাৰ নিজৰ ভাষাত বুজাই লিখক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ তুলনাত্মক ভাষা-বিজ্ঞান আৰু বৈপৰীত্যমূলক ভাষা-বিজ্ঞানৰ মাজত পাৰ্থক্য আছেনে? উদাহৰণসহ ব্যাখ্যা আগবঢ়াওক।